# Prime Minister Narendra Modi and Prime Minister of Mauritius Pravind Jugnauth to jointly inaugurate the new Supreme Court Building of Mauritius

July 28, 2020

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মৰিছাছৰ প্ৰধানমন্ত্ৰী প্ৰভীন্দ জুগনাউথে যুটীয়াভাৱে মৰিছাছ সুপ্ৰিম কৰ্টৰ নতুন ভৱনটো উদ্বোধন কৰে

জুলাই 28, 2020

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মৰিছাছৰ প্ৰধানমন্ত্ৰী প্ৰভীন্দ জুগনাউথে জুলাই 30, 2020 তাৰিখ বৃহস্পতিবাৰে যুটীয়াভাৱে মৰিছাছ সুপ্ৰিম কৰ্টৰ নতুন ভৱনটো উদ্বোধন কৰ।। মৰিছাছৰ ন্যায়পালিকাৰ জ্যেষ্ঠ সদস্যসকল আৰু দুয়ো দেশৰ বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত ভিডিঅ কনফাৰেন্সৰ জৰিয়তে এই অনুষ্ঠানৰ উদ্বোধন অনুষ্ঠিত হব। ভাৰতৰ অনুদান সাহার্যৰ দ্বাৰা এই ভৱনটো নিৰ্মাণ কৰা হয় আৰু কোভিডৰ পিছত ৰাজধানী চহৰ পৰ্ট লুইছৰ মাজমজিয়াত এইটো প্ৰথম আন্তঃগাঠনিক সাহার্য প্ৰকল্প।

ভাৰত চৰকাৰে 2016 বৰ্ষত মৰিছাছলৈ 353 কোটি মাৰ্কিন ডলাৰৰ 'বিশেষ অৰ্থনৈতিক পেকেজ' দিয়াৰ কথা ঘোষণা কৰিছিল আৰু এই পেকেজৰ অধীনত যি পাঁচটা প্ৰকল্প হোৱাৰ কথা আছিল তাৰেই এটি হৈছে এই সুপ্ৰিম কৰ্টৰ নতুন ভৱন প্ৰকল্পটো। নিৰ্ধাৰিত সময় আৰু প্ৰত্যাশিত ব্যয়তকৈ কমত প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিছিল। 4700 বৰ্গ মিটাৰ এলেকা জুৰি 10 তলাৰ এই ভৱনটো 25,000 বৰ্গ মিটাৰ নিৰ্মিত এলেকাৰ সৈতে গঢ়ি উঠিছে। তাপ আৰু শব্দ প্ৰতিৰোধী আৰু বিদ্যুত সঞ্চয়ী ব্যৱস্থাপনাৰ সৈতে অত্যাধুনিক নক্সাৰে নিৰ্মিত এই ভৱনটো পৰিবেশ অনুকূল।

বিশেষ অৰ্থনৈতিক প্ৰকল্পৰ অধীনত নিৰ্মিত মেট্ৰ' এক্সপ্ৰেছ প্ৰকল্পৰ পৰ্যায়–। আৰু নতুন ই এন টি হস্পাতালৰ 2019 চনৰ অক্টোবৰ মাহত প্ৰধানমন্ত্ৰী মোডী আৰু মৰিছাছৰ প্ৰধাৰমন্ত্ৰীয়ে যুটীয়াভাৱে ভাৱে উদ্বোধন কৰে। মেট্ৰ' এক্সপ্ৰেছ প্ৰকল্পৰ পৰ্যায়-।ৰ অধীনত যোৱা বছৰ ছেপ্টেম্বৰ মাহত 12 কি. মি. ৰ মেট্ৰ' লাইন সম্পূৰ্ণ হৈ উঠে, আনহাতে পৰ্যায়-।। ৰ 14 কি. মি. মেট্ৰ' লাইনৰ কাম চলি আছে। ই এন টি হস্পাতাল প্ৰকল্পৰ জৰিয়তে ভাৰতে মৰিছাছত 100 খন বিচনাযুক্ত এক অত্যাধুনিক ই এন টি হস্পাতালৰ নিৰ্মাণত সাহার্য আগবঢ়াইছিল।

নৱনিৰ্মিত সুপ্ৰিম কৰ্ট ভৱনটো চহৰৰ মাজমজিয়াত এক মহত্বপূৰ্ণ নিদৰ্শনৰ লগতে দুয়ো দেশৰ মাজত দৃঢ় দ্বিপাক্ষীক অংশীদাৰিত্বৰ প্ৰতীক হিচাপে বিবেচিত হব।

**নতুন দিল্লী**
**জুলাই 28, 2020**

**DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**

**DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.**